# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 26-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::::**

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নতুন সভাপতি হিচাপে গৌৰৱ গগৈক নিযুক্তি দিয়া হৈছে। নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে আজি সাংসদ গৌৰৱ গগৈক সভাপতিৰ নতুন দায়িত্ব অৰ্পণ কৰিছে। আনহাতে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই  জাকিৰ হুছেইন শিকদাৰ, ৰ'জলীনা তিৰ্কি আৰু প্ৰদীপ সৰকাৰক কমিটীৰ কাৰ্যকৰী সভাপতি হিচাপে নিযুক্তি দিছে। নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক কে বেণুগোপালে আজি নতুন দিল্লীত প্ৰকাশ কৰা এখন প্ৰেছ বিজ্ঞপ্তিত এই কথা প্ৰকাশ কৰিছে। প্ৰদেশ কংগ্ৰেছৰ বিদায়ী সভাপতি ভূপেন কুমাৰ বৰাই আগবঢ়োৱা অৱদানকো দলৰ কেন্দ্ৰীয় নেতৃবৰ্গই প্ৰশংসা কৰিছে বুলি প্ৰেছ বিজ্ঞপ্তিখনত কোৱা হৈছে।

সাংসদ গৌৰৱ গগৈক প্ৰদেশ কংগ্ৰেছৰ সভাপতি নিযুক্তিয়ে অহা বছৰ হ'বলগীয়া ৰাজ্য বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছ দলৰ নিৰ্বাচনী ৰণকৌশলক আকৰ্ষণীয় কৰাৰ অন্যতম প্ৰয়াস বুলি আমাৰ সংবাদদাতাই জনাইছে।

oooo

অঙ্গনবাড়ী কেন্দ্ৰসমূহত সেৱাৰ মান উন্নত কৰাৰ লক্ষ্যৰে আজি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে লখিমপুৰ, ধেমাজি আৰু শিৱসাগৰ জিলাত অঙ্গনবাড়ী কৰ্মীসকলৰ মাজত স্মাৰ্ট ফোন বিতৰণ কৰে। শিৱসাগৰৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত মন্ত্ৰীগৰাকীয়ে ৯০ গৰাকী অঙ্গনবাড়ী কৰ্মীক স্মাৰ্ট ফোন প্ৰদান কৰে। ডাঃ পেগুৱে সমাজ কল্যাণ বিভাগৰ এই পদক্ষেপে তৃণমূল পৰ্যায়ৰ কৰ্মীসকলৰ ডিজিটেল সৱলীকৰণৰ দিশত উল্লেখযোগ্য ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে। ডাঃ পেগুৱে অঙ্গনবাড়ী কৰ্মীসকলক শিশুৰ যত্ন আৰু পৰিপুষ্টি তথা বিকাশৰ প্ৰতি গুৰুত্ব আৰোপেৰে জিলাখনৰ কেন্দ্ৰসমূহৰ পৰিচালনাত নিষ্ঠাৰে সেৱা আগবঢ়াবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে তেওঁ ধেমাজী সমষ্টিৰ ৩৭৬ গৰাকী আৰু লখিমপুৰত ৩ হেজাৰ গৰাকী অঙ্গনবাড়ী কৰ্মীৰ মাজত স্মাৰ্ট ফোন বিতৰণ কৰে।

oooo

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰেৰ ভাৰতীয় বন সেৱা বিষয়াৰ পৰিৱেশ তন্ত্ৰ স্বাস্থ্য পত্ৰ প্ৰস্তুতকৰণ শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাৰ আয়োজন কৰিছে। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ অৰ্থসাহায্যত অনুষ্ঠিত এই কৰ্মশালাত দেশৰ ৭ খন ৰাজ্যৰ ১০ গৰাকী উচ্চ পদস্থ বিষয়াই অংশগ্ৰহণ কৰিছে। বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ জ্যেষ্ঠ বিজ্ঞানী তথা পাঠ্যক্ৰম সঞ্চালক ৰাজীৱ কুমাৰ কলিতাৰ দ্বাৰা পৰিচালিত এই প্ৰশিক্ষণত পৰিৱেশ তন্ত্ৰ সেৱা, জীৱিকা আৰু পৰিৱেশতন্ত্ৰ স্বাস্থ্য পত্ৰ, সমতূল্য অৰ্থনৈতিক মূল্য চিনাক্তকৰণ আদি বিভিন্ন দিশ সামৰি অভিজ্ঞ সমল ব্যক্তিয়ে প্ৰশিক্ষণ দিয়ে।

প্ৰশিক্ষণৰ লগত সংগতি ৰাখি আজি প্ৰশিক্ষাৰ্থীসকলক শিৱসাগৰৰ বৰপুখুৰীত পৰিবেশতন্ত্ৰ স্বাস্থ্য পত্ৰৰ তথ্য সংগ্ৰহৰ বাবে লৈ যোৱা হয়। বন বিষয়াসকলে এই প্ৰশিক্ষণৰ অংশ হিচাপে জৈৱ বৈচিত্ৰ আৰু পৰিবেশতন্ত্ৰ অধ্যয়নৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিব।

০০০০

কটন কলেজ প্ৰতিষ্ঠাৰ ১২৫ বছৰীয়া দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ প্ৰাক্তন কটনিয়ানৰ মত বিনিময় তথা স্মৃতি ৰোমন্থন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাইলৈ বিয়লি কটন এলমনাই ভৱনত আয়োজিত এই অনুষ্ঠানত শতায়ু গৰকা প্ৰাক্তন কটনিয়ান ডাঃ চিৰাজুল হক, সত্যকৃষ্ণ মিশ্ৰ আৰু ৯০ বছৰৰ উৰ্ধৰ প্ৰফুল্ল গোবিন্দ বৰুৱাক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ ড° দয়ানন্দ পাঠকে প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত বক্তৃতা আগবঢ়াব। অনুষ্ঠানত প্ৰাক্তন কটনিয়ান শিল্পীসকলে সংগীত পৰিৱেশন কৰিব। এই অনুষ্ঠানত সকলো প্ৰাক্তন কটনিয়ানৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

০০০০

বাক্সা জিলাৰ বাগানপাৰাত আজি ইউ পি পি এলৰ মহিলা কোষৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত বি টি আৰৰ মহিলা সদস্যসকলে গাঁৱসমূহৰ সমস্যাৰ বিষয়ে আলোচনা কৰে। বৈঠকত অংশ লৈ বিটিচি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে বিটিআৰৰ পাঁচোখন জিলাতে মহিলাসকলৰ সুৰক্ষা আৰু সৱলীকৰণৰ বাবে ৫ গৰাকী চৰকাৰী অধিবক্তা নিযুক্তি দিয়াৰ কথা উল্লেখ কৰে। তেওঁ লগতে শিশু সৰবৰাহৰ প্ৰতি লক্ষ্য ৰাখি এই ক্ষেত্ৰত শিশুসকলক সজাগ কৰাৰ উদ্দেশ্যে অভিযান আৰম্ভ কৰা হ'ব বুলিও প্ৰকাশ কৰে। শ্ৰীবড়োৱে এই বৈঠকতে বিভিন্ন প্ৰান্তৰ কৃষকসকলৰ সৈতেও মত বিনিময় কৰে।

০০০০

চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী তথা ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনে আজি অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত অধ্যক্ষতা কৰে। মন্ত্ৰীগৰাকীয়ে স্বাস্থ্য সেৱাৰ আন্তঃগাথনি শক্তিশালী কৰা, চিকিৎসা মহাবিদ্যালয়খনৰ উন্নয়ন আৰু ভৱিষ্যত পৰিকল্পনা সন্দৰ্ভত জিলা আয়ুক্ত, অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষ, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰকে ধৰি জ্যেষ্ঠ চিকিৎসকসকলৰ সৈতে আলোচনা কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত খেলত মুম্বাই ইণ্ডিয়ানছে-পাঞ্জাব কিংছক জয়ৰ বাবে ১৮৫ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। পাঞ্জাৱ কিংছে টছত জিকি মুম্বাই ইণ্ডিয়ানছক বেট ধৰাৰ বাবে আমন্ত্ৰণ

পইণ্টৰ তালিকাত গুজৰাট টাইটান্‌ছ দলটো সম্প্ৰতি শীৰ্ষস্থানত আছে যদিও আজিৰ খেলত পঞ্জাব আৰু মুম্বাইৰ মাজৰ জয়লাভ কৰা দলটোৱে গুজৰাটক চেৰ পেলাই আগবাঢ়ি যাব পাৰিব।

০০০০

সমাপ্ত